# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 02-10-2024 **Time :** 1845 Hrs.

***Assamese Evening Bulletin***
***Headlines***

১। দেশজুৰি আজি জাতিৰ পিতা মহাত্মা গান্ধীৰ ১৫৫ সংখ্যক জয়ন্তী পালন। গান্ধী জয়ন্তীৰ সৈতে সংগতি ৰাখি ফিট ইণ্ডিয়া স্বচ্ছতা ৰান কাৰ্যসূচীৰ শুভাৰম্ভ।
প্ৰাক্তন প্ৰধানমন্ত্ৰী লাল বাহাদুৰ শাস্ত্ৰীৰ ১২০ সংখ্যক জয়ন্তী উপলক্ষে দেশবাসীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন।

২। স্বচ্ছ ভাৰত অভিযানৰ ১০ বছৰ সম্পূৰ্ণ। ১৪০ কোটি দেশবাসীৰ প্ৰচেষ্টাৰ প্ৰতি প্ৰধানমন্ত্ৰীৰ কৃতজ্ঞতা প্ৰকাশ।

৩। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আজি অসমত স্থাপন হ'বলগীয়া চাৰিটা গুৰুত্বপূৰ্ণ প্ৰকল্পকে ধৰি দেশৰ মুঠ ৩৩টা সংকুচিত জৈৱ গেছ প্ৰকল্প ভাৰ্চুৱেল ব্যৱস্থাৰে আধাৰশিলা স্থাপন।

৪। কেন্দ্ৰীয় বৈদেশিক পৰিক্ৰমা দপ্তৰৰ ৰাজ্য মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাৰ মেক্সিকোৰ নৱ-নিৰ্বাচিত ৰাষ্ট্ৰপতিৰ শপতগ্ৰহণ অনুষ্ঠানত অংশগ্ৰহণ।

**আৰু**

৫। শ্বাৰজাহত কাইলৈৰ পৰা মহিলাৰ আই চি চি টি টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতা আৰম্ভ।

০০০০০০০

দেশজুৰি আজি জাতিৰ পিতা মহাত্মা গান্ধীৰ ১৫৫ সংখ্যক জয়ন্তী পালন কৰা হৈছে। এই উপলক্ষে নতুন দিল্লীৰ ৰাজঘাটৰ সমাধিস্থলীকে ধৰি বিভিন্ন স্থানত আজি সৰ্বধৰ্মীয় প্ৰাৰ্থনা, শ্ৰদ্ধাঞ্জলি জ্ঞাপন আদি বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত কৰা হয়।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে গান্ধী জয়ন্তীৰ দিনটোত দেশবাসীক মহাত্মা গান্ধীৰ সপোনৰ ভাৰতৰ ধাৰণাৰে সত্য, অহিংসা, প্ৰেম আৰু বিশুদ্ধতাৰ মূল্যবোধক গ্ৰহণ কৰাৰ সংকল্প ল'বলৈ আহ্বান জনাইছে। জাতিৰ পিতা মহাত্মা গান্ধীৰ ১৫৫ সংখ্যক জয়ন্তীত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি ৰাষ্ট্ৰপতিগৰাকীয়ে দেশ আৰু সমাজৰ উন্নয়ন অবিৰতভাৱে আগুৱাই নিবলৈ জনসাধাৰণক চেষ্টা কৰিবলৈ আহ্বান জনায়।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গান্ধী জয়ন্তী উপলক্ষে তেওঁৰ প্ৰতি শ্ৰদ্ধা জনাই সত্য আৰু সমতাৰ ভিত্তিত আধাৰিত মহামানৱগৰাকীৰ জীৱন আৰু আদৰ্শই দেশবাসীক সদায় অনুপ্ৰেৰণা যোগাব বুলি উল্লেখ কৰে।

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজিৰ দিনটোত জাতিৰ পিতা মহাত্মা গান্ধীৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰি কয় যে, গান্ধীজীয়ে অহিংসাক জীৱনৰ ব্ৰত কৰি জাতি প্ৰেম, মানৱ প্ৰেম, মানৱ সেৱাৰ আদৰ্শৰে দেশবাসীক আজিও উদ্বুদ্ধ কৰি আহিছে।

গান্ধী জয়ন্তীৰ লগত সংগতি ৰাখি আজি কেন্দ্ৰীয় বন্দৰ জাহাজ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে স্থানীয় উদ্যোগীৰ প্ৰতি সমৰ্থন আগবঢ়াই স্থানীয়ভাৱে নিৰ্মিত সামগ্ৰী ব্যৱহাৰ কৰিবলৈ জনসাধাৰণক আহ্বান জনায়। মন্ত্ৰীগৰাকীয়ে আজি ডিব্ৰুগড় জিলাৰ নাহৰকটীয়াৰ জাগৰণৰ বিপণীৰ পৰা খাদী বস্ত্ৰ ক্ৰয় কৰে। তেওঁৰ লগত সাংসদ ৰামেশ্বৰ তেলী আৰু বিধায়ক তৰংগ গগৈ উপস্থিত থাকে।

ইপিনে দেশৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী লাল বাহাদুৰ শাস্ত্ৰীৰ ১২০ সংখ্যক জয়ন্তী উপলক্ষে আজি দেশবাসীয়ে তেওঁক স্মৰণ কৰিছে। ৰাষ্ট্ৰপতি, উপ-ৰাষ্ট্ৰপতি, প্ৰধানমন্ত্ৰীৰ লগতে শাসক বিৰোধীৰ বহুকেইজন নেতা-মন্ত্ৰীয়েও দিল্লীৰ বিজয় ঘাটৰ নেতাগৰাকীৰ সমাধিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মায়ো জয় জোৱান জয় কিষাণ ধ্বনিৰে দেশৰ কৃষকৰ লগতে জনগণক উদ্বুদ্ধ কৰা স্বাধীন ভাৰতৰ প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীৰ জন্ম দিৱসত শ্ৰদ্ধা নিবেদন কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে এটা বাৰ্তাত কয় যে, এগৰাকী প্ৰকৃত দেশসেৱক শাস্ত্ৰীৰ আদৰ্শ আৰু মহান কৰ্মৰাজী পৰৱৰ্তী প্ৰজন্মৰ বাবে প্ৰেৰণা হৈ হ'ব।

০০০০০০০

গান্ধী জয়ন্তীৰ সৈতে সংগতি ৰাখি কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰালয়ে নতুন দিল্লীত ৰাষ্ট্ৰজোৰা ফিট ইণ্ডিয়া স্বচ্ছতা ৰান শীৰ্ষক কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। আজিৰেপৰা অহা ৩১ অক্টোবৰ অৰ্থাৎ চৰ্দাৰ বল্লভ ভাই পেটেলৰ জয়ন্তীলৈকে প্ৰতিখন ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলত এই স্বচ্ছতা দৌৰ কাৰ্যসূচীৰ ৰূপায়ণ কৰা হ'ব। আজি অনুষ্ঠানৰ শুভাৰম্ভ কৰি যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া বিভাগৰ সচিব সুজাতা চতুৰ্বেদীয়ে কয় যে জাতিৰ পিতাগৰাকীয়ে সুস্থ জীৱনশৈলী আৰু পৰিচ্ছন্নতাৰ ওপৰত অত্যন্ত গুৰুত্ব আৰোপ কৰিছিল। এই ফ্ৰীডম ৰান কাৰ্যসূচীয়ে মহাত্মা গান্ধীৰ আদৰ্শ আৰু শিকনিসমূহক জনসাধাৰণৰ মাজলৈ লৈ যোৱাৰ লগতে তেওঁলোকক সুস্থ আৰু পৰিচ্ছন্ন জীৱন-ধাৰণৰ বাবে প্ৰেৰিত কৰিব বুলি তেওঁ মন্তব্য কৰে।

০০০০০০০

স্বচ্ছতাৰ বাবে অন্যতম উল্লেখযোগ্য গণ আন্দোলন স্বচ্ছ ভাৰত অভিযানে ১০ বছৰ সম্পূৰ্ণ কৰিলে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে স্বচ্ছতাক এক গণ আন্দোলনৰূপে গঢ়ি তোলাৰ ক্ষেত্ৰত ১৪০ কোটি দেশবাসীৰ প্ৰচেষ্টাৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰি কয় যে এখন পৰিষ্কাৰ, পৰিচ্ছন্ন ভাৰত লাভ কৰিবলৈ নিৰৱচ্ছিন্নভাৱে প্ৰয়াস অব্যাহত ৰাখিব লাগিব। এই অভিযানৰ সফলতাত প্ৰতিজন ভাৰতীয়ই অৱদান আগবঢ়াইছে বুলিও তেওঁ মন্তব্য কৰে। এই অভিযানৰ সফলতাৰ বাবে তেওঁ সমগ্ৰ দেশবাসীৰ লগতে চাফাই কৰ্মী, ধৰ্মীয় গুৰু, ক্ৰীড়াবিদ, জনপ্ৰিয় ব্যক্তিসকল, বিভিন্ন বেচৰকাৰী সংস্থাৰ লগতে সংবাদকৰ্মীসকলৰ শলাগ লয়।

**-ভইচ কাষ্ট -**

আজি বিশ্বৰ বিভিন্ন প্ৰান্তত উদযাপন কৰা স্বচ্ছতা অভিযানৰ ১০ বছৰীয়া বৰ্ষপূৰ্তিৰ অনুষ্ঠানত বহুকেইজন মুখ্যমন্ত্ৰী, মন্ত্ৰী তথা চৰকাৰৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰে।

০০০০০০০

গান্ধী জয়ন্তী উপলক্ষে আজি কেন্দ্ৰীয় বন্দৰ, জাহাজ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে খাদী বস্ত্ৰ ক্ৰয়ক উৎসাহিত কৰাৰ বাবে ডিব্ৰুগড়ৰ নাহৰকটীয়াত এখন বিপণীত খাদী বস্ত্ৰ ক্ৰয় কৰে। মন্ত্ৰী সোণোৱালৰ সৈতে ৰাজ্য সভাৰ সাংসদ ৰামেশ্বৰ তেলী আৰু বিধায়ক তৰংগ গগৈ উপস্থিত থাকে। এই উপলক্ষে নিজৰ মত প্ৰকাশ কৰি শ্ৰী সোণোৱালে কয় যে মহাত্মা গান্ধীয়ে সদায়ে হস্তশিল্পকে ধৰি স্থানীয়ভাৱে উৎপাদিত সামগ্ৰীসমূহ ক্ৰয়ত গুৰুত্ব আৰোপ কৰিছিল। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়েও ভোকেল ফৰ লোকেল শীৰ্ষক কথাৰে জনসাধাৰণক স্থানীয়ভাৱে উৎপাদিত সামগ্ৰী ক্ৰয় কৰিবলৈ উৎসাহিত কৰি আহিছে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে জনসাধাৰণক স্থানীয়ভাৱে উৎপাদিত সামগ্ৰী ক্ৰয় কৰি গান্ধীজীৰ আদৰ্শক মূল্যায়ন কৰিবলৈ আহ্বান জনায়।

০০০০০০০

নগৰীয়া গোটা আৰু জুলীয়া আৱৰ্জনা নিষ্কাষণৰ বাবে গুৱাহাটীৰ বৰাগাঁৱত নৱনিৰ্মিত স্বচ্ছতা ক্ষেত্ৰৰ আজি উদ্বোধন কৰা হয়। গুৱাহাটী পৌৰ নিগমৰ মেয়ৰ মৃগেন শৰণীয়াই আজি এই ৩৫ কোটি টকা ব্যয় সাপেক্ষ প্ৰকল্পটো উদ্বোধন কৰে। উদ্বোধনী অনুষ্ঠানত নিগমৰ উপ-মেয়ৰ তথা নিগমৰ আয়ুক্তই অংশগ্ৰহণ কৰে। এই স্বচ্ছতা ক্ষেত্ৰই বহনক্ষম জাৱৰ নিষ্কাষণৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব বুলি আশা কৰা হৈছে। উল্লেখযোগ্য যে ২০২২ বৰ্ষত মিহলি আৱৰ্জনা বিশেষ প্ৰযুক্তিৰে সাৰলৈ ৰূপান্তৰ কৰাৰ এই প্ৰকল্প আৰম্ভ কৰা হৈছিল। চলিত বৰ্ষৰ মে' মাহত পৰীক্ষামূলকভাৱে এই প্ৰকল্পৰ জৰিয়তে সফলতাৰে সাৰ উৎপাদন সম্পন্ন হৈছিল।

০০০০০০০

মহাত্মা গান্ধীৰ ১৫৫ সংখ্যক জয়ন্তীৰ লগত সংগতি ৰাখি আজি আকাশবাণী গুৱাহাটী কেন্দ্ৰত ছাফাই মিত্ৰ সুৰক্ষা শিবিৰ আয়োজন কৰা হয়। যোৰহাটৰ আৰ্হি হাস্পতালৰ জ্যেষ্ঠ চিকিৎসক ডা০ নয়নমণি ৰাভাৰ লগতে বহুকেইজন চিকিৎসাকৰ্মীৰ উপস্থিতিত এই শিবিৰত বিনামূলীয়াকৈ ছাফাই কৰ্মীসকলৰ স্বাস্থ্য পৰীক্ষা কৰা হয়। উত্তৰ-পূৰ্বাঞ্চলৰ আকাশবাণী আৰু দূৰদৰ্শনৰ অতিৰিক্ত সঞ্চালকপ্ৰধান আশিস ভাটনাগৰে এই স্বাস্থ্য শিবিৰ উদ্বোধন কৰে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি অসমত স্থাপন হ'বলগীয়া চাৰিটা গুৰুত্বপূৰ্ণ প্ৰকল্পকে ধৰি দেশৰ মুঠ ৩৩টা সংকুচিত জৈৱ গেছ প্ৰকল্পৰ ভাৰ্চুৱেল ব্যৱস্থাৰে আধাৰশিলা স্থাপন কৰে। অইল ইণ্ডিয়া লিমিটেডে গুৱাহাটী, যোৰহাট, শিৱসাগৰ আৰু তিনিচুকীয়াত সংকুচিত জৈৱ গেছ প্ৰকল্প স্থাপনৰ ব্যৱস্থা কৰিছে। কেন্দ্ৰীয় চৰকাৰৰ ৰাজহুৱা খণ্ডলৈ আগবঢ়োৱা বিনিয়োগ আৰু ব্যক্তিগত উদ্যমীৰ সৈতে সহযোগিতাৰে ৰূপায়ণ কৰিবলগীয়া আঁচনিৰ অংশ হিচাপে প্ৰতিষ্ঠানটোৱে এই প্ৰকল্পকেইটা স্থাপনৰ ব্যৱস্থা গ্ৰহণ কৰিছে।

নগৰীয়া গোটা আৱৰ্জনাক জৈৱ গেছলৈ ৰূপান্তৰৰ জৰিয়তে অৰ্থনীতি, পৰিৱেশ তথা সমাজৰ প্ৰতি বৰঙনি আগবঢ়োৱাৰ উদ্দেশ্যৰে ৰূপায়ণ কৰিবলৈ লোৱা এই আঁচনিৰ জৰিয়তে অইল ইণ্ডিয়া লিমিটেডে দৈনিক ১২৫ টন আৱৰ্জনা নিষ্কাষণ কৰি তাৰ পৰা দিনটোত প্ৰায় ২ টন পৰিমাণৰ সংকুচিত জৈৱ গেছ উৎপাদন কৰিব পৰা হ'ব বুলি আশা কৰা হৈছে। এই গোটসমূহে একেলগে ৫০০ টন পৌৰ নিগমৰ আৱৰ্জনাক প্ৰতিদিনে ৮ টন পৰিমাণৰ সংকুচিত জৈৱ গেছ উৎপাদন কৰিব পাৰিব। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই এই বিশেষ পদক্ষেপৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক অসমবাসীৰ হৈ ধন্যবাদ জ্ঞাপন কৰিছে। এটা বাৰ্তাত তেওঁ কয় যে, প্ৰধানমন্ত্ৰী মোদীয়ে দেশখনক স্বচ্ছ কৰি তোলাৰ দিশত সদায়ে গুৰুত্ব আৰোপ কৰি আহিছে।

উল্লেখযোগ্য যে এই প্ৰকল্পৰ জৰিয়তে প্ৰদূষণৰ পৰিমাণ উল্লেখনীয়ভাৱে হ্ৰাস পোৱাৰ লগতে কৰ্ম সংস্থাপনৰো সুযোগ বৃদ্ধি পাব। প্ৰধানমন্ত্ৰীৰ অধ্যক্ষতাত আজি উদ্বোধনী অনুষ্ঠানত অসমৰ চাৰিওটা স্থানতে বহুকেইগৰাকী জ্যেষ্ঠ চৰকাৰী বিষয়াৰ লগতে উদ্যোগী তথা সমাজৰ কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

০০০০০০০

আজি মহালয়া। আজিৰ দিনটোতে পিতৃপক্ষৰ সমাপ্তি ঘটি দেৱীপক্ষৰ সূচনা হয়। কাইলৈৰপৰা নৱৰাত্ৰি পালন কৰা হ'ব। আজিৰ দিনটোতে দেৱী দুৰ্গাৰ ধৰালৈ আগমন ঘটে বুলি বিশ্বাস প্ৰচলিত আছে। ইয়াৰ লগে লগেই দুৰ্গা পূজাৰ আধ্যাত্মিক পৰ্বসমূহো আৰম্ভ হয়। আজি মহালয়াৰ দিনা পুৱাতে ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ নৈ, জান-জুৰি ঘাটত পূৰ্বপুৰুষৰ আত্মাৰ সদগতিৰ বাবে ভক্তসকলে শ্ৰাদ্ধ তৰ্পন কৰে। এই উপলক্ষে আজি নৈৰ ঘাটসমূহত অগণন লোকৰ সমাগম পৰিলক্ষিত হয়। ইপিনে, দেৱী দুৰ্গাৰ ধৰালৈ আগমনৰ বিশ্বাসক কেন্দ্ৰ কৰি আজি পুৱাৰে পৰা দেৱীৰ স্তুতিৰে মহিষমৰ্দিনীক ধৰালৈ আদৰণি জনোৱা হয়। যোৰহাট, ডিব্ৰুগড়, শিৱসাগৰ, শিলচৰ, গুৱাহাটীকে ধৰি ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজিৰ দিনটোত উৎসৱমুখৰ পৰিৱেশে বিৰাজ কৰে। ঠায়ে ঠায়ে ধৰ্মীয় শোভাযাত্ৰাৰ আয়োজন কৰা হয়। শাৰদীয় দুৰ্গা পূজাৰ বাবে আজিৰ দিনটোৰ পৰাই ব্যাপক প্ৰস্তুতি আৰম্ভ হয়। গুৱাহাটী মহানগৰীকে ধৰি ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ দুৰ্গা পূজা সমিতিসমূহে শাৰদীয় পূজাৰ বাবে প্ৰস্তুতি অব্যাহত ৰাখিছে। এইবাৰ দেৱীৰ দোলাত আগমন হৈছে আৰু ঘোঁৰাৰে গমন কৰিব। অহা ৯ অক্টোবৰ, বুধবাৰে সন্ধিয়া দেৱী দুৰ্গাক ষষ্ঠীৰ বেদীত প্ৰতিষ্ঠা কৰা হ'ব। এই উপলক্ষে বিভিন্ন ঠাইৰ পূজা-মণ্ডপসমূহ কাৰিকৰসকলে আটক ধুনীয়াকৈ সজাই তোলাত ব্যস্ত হৈ পৰিছে। আনহাতে, বজাৰসমূহো পূজাৰ বাবে বিভিন্ন ধৰণৰ সাজ-পাৰকে ধৰি অন্যান্য সামগ্ৰীৰে ভৰি পৰিছে।

যোৰহাটৰ গড়আলিত মহালয়া উপলক্ষে আজি পুৱতি নিশা ব্যাপক উৎসাহ-উদ্দীপনা পৰিলক্ষিত হয়। তিনিচুকীয়া জিলাৰ ডুমডুমা ৰাজহুৱা খেলপথাৰত আজি পুৱাৰেপৰা মহালয়া উপলক্ষে বহুলোকৰ সমাগম হয়। এই উপলক্ষে সাংস্কৃতিক কাৰ্যসূচী গ্ৰহণ কৰা হয়।

ধুবুৰীতো এই উপলক্ষে ব্ৰহ্মপুত্ৰ ঘাটত অগণন লোকৰ ভিৰ পৰিলক্ষিত হয়। ধুবুৰীৰ কালীবাৰী প্ৰাঙ্গনত দেৱী দুৰ্গা বৰণ, মহীষাশূৰ মৰ্দিনী আদি নৃত্য-নাটিকা ৰূপায়ণ কৰা হয়। জিলাখনৰ বিভিন্ন ঠাইত প্ৰভাত ফেৰীৰো আয়োজন কৰা হয়। ইপিনে, বৰপেটা ৰোড আৰু হাউলীত পুৱতি নিশাতে বহু লোক ৰাজপথলৈ ওলাই অহাত উখল-মাখল পৰিৱেশৰ সৃষ্টি হয়। জিলাখনৰ কেইবাটাও সংঘ আৰু পূজা সমিতিৰ উদ্যোগত মহালয়া উপলক্ষে শোভাযাত্ৰা উলিওৱা হয়।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মহালয়া উপলক্ষে দেশৰ জনসাধাৰণক শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা পোষ্টত শ্ৰী মোদীয়ে কয় যে শাৰদীয় দুৰ্গা পূজাই জনজীৱনলৈ আশা, সম্ভাৱনা আৰু ইতিবাচক চিন্তা কঢ়িয়াই আনে। দেৱী দুৰ্গাই সকলোকে সুখ, সমৃদ্ধি, শক্তি আৰু সুস্বাস্থ্যৰ বাবে আশীষ প্ৰদান কৰিব বুলি প্ৰধানমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে।

০০০০০০০

কেন্দ্ৰীয় বৈদেশিক পৰিক্ৰমা দপ্তৰৰ ৰাজ্য মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই আজি মেক্সিকোৰ নৱ-নিৰ্বাচিত ৰাষ্ট্ৰপতি ড° ক্লাউডিয়া শ্বেইনবাউন পাৰ্ডোৰ শপত গ্ৰহণ অনুষ্ঠানত ভাৰতৰ প্ৰতিনিধি হিচাপে অংশগ্ৰহণ কৰে। তেওঁ নৱ-নিৰ্বাচিত ৰাষ্ট্ৰপতিগৰাকীক দেশৰ হৈ শুভেচ্ছা জ্ঞাপন কৰে। উল্লেখযোগ্য যে মেক্সিকোত বিগত ২০০ বছৰৰ ভিতৰত ৰাষ্ট্ৰপতি পদত অধিষ্ঠিত হোৱা শ্ৰীমতী ক্লাউডিয়া প্ৰথম গৰাকী মহিলা নেত্ৰী।

০০০০০০০

ৰাজ্যৰ ৮ বিধ সামগ্ৰীয়ে কেন্দ্ৰীয় চৰকাৰৰ জি আই টেগৰ স্বীকৃতি লাভ কৰিছে। বড়ো জনগোষ্ঠীৰ পৰম্পৰাগত বস্ত্ৰ আৰ'নাই আৰু পৰম্পৰাগত পানীয় জৌ গৈৰান, মাইব্ৰা জৌ বিদৈ, জৌ গিচি, শুকান মাছৰ পৰা প্ৰস্তুত কৰা জনগোষ্ঠীয় খাদ্য বড়ো নাফামা আৰু বড়োসকলৰ পৰম্পৰাগত খাদ্য অগুলা বড়ো গৌখা আৰু বড়ো নাৰ্জিলৈ ভাৰত চৰকাৰৰ এই স্বীকৃতি আগবঢ়োৱা হৈছে।

০০০০০০০

যোৰহাটৰ বৰ্ষাৰণ্য প্ৰতিষ্ঠানে দুসপ্তাহজোৰা কাৰ্যসূচীৰে আয়োজন কৰা স্বচ্ছতাই সেৱা অভিযানৰ আজি সামৰণি পৰে। প্ৰতিষ্ঠানটোৰ সঞ্চালক ড০ নীতিন কুলকাৰ্নীয়ে আজি জাতিৰ মহাত্মা গান্ধীৰ প্ৰতিমূৰ্তিত শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰে। জনস্বাস্থ্য আৰু পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ ক্ষেত্ৰত অনাময় ব্যৱস্থাই লোৱা গুৰুত্বপূৰ্ণ ভূমিকাৰ কথা তেওঁ উল্লেখ কৰে আৰু চাফাই কৰ্মীসকলক স্বচ্ছতাই সেৱা অভিযানৰ মেৰুদণ্ড আখ্যা দি তেওঁলোকৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰে। আজিৰ অনুষ্ঠানত চাফাই মিত্ৰসকলক প্ৰতিষ্ঠানটোৰ সঞ্চালক, গৱেষণা সমন্বয়ক আৰু বিভাগীয় মুৰব্বীসকলে ফুলাম গামোচাৰে সন্মান জনায়।

০০০০০০০০

লখিমপুৰ জিলা প্ৰশাসনৰ উদ্যোগত আজি লখিমপুৰ জিলা দিৱস উদযাপন কৰা হৈছে। এই উপলক্ষে আজি লখিমপুৰ নগৰৰ মাজেৰে সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। উল্লেখযোগ্য যে একাধিকবাৰ মানচিত্ৰ সলনি হোৱা লখিমপুৰ জিলাখন ১৯৭১ চনৰ ২ অক্টোবৰত পুনৰ গঠন কৰা হৈছিল। আজিৰ অনুষ্ঠানত সাংসদ প্ৰদান বৰুৱাকে ধৰি জিলাৰ আয়ুক্ত তথা জ্যেষ্ঠ চৰকাৰী বিষয়াসকল উপস্থিত থাকে।

০০০০০০০

সংযুক্ত আৰৱ আমিৰী ৰাষ্ট্ৰৰ শ্বাৰজাহত কাইলৈ আই চি চি মহিলাৰ টি টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতা আৰম্ভ হ'ব। প্ৰতিযোগিতাৰ নৱম সংস্কৰণৰ উদ্বোধনী খেলত কাইলৈ বাংলাদেশ-স্কটলেণ্ডৰ মুখামুখি হ'ব। খেলখন ভাৰতীয় সময় অনুসাৰে বিয়লি চাৰে ৩ বজাত আৰম্ভ হ'ব। আনহাতে, কাইলৈ দ্বিতীয়খন খেলত পাকিস্তান-শ্ৰীলংকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে সাত বজাত আৰম্ভ হ'ব। ভাৰত পৰহিলৈ নিজৰ প্ৰথমখন খেলত নিউজিলেণ্ডৰ মুখামুখি হ'ব। এইবাৰৰ প্ৰতিযোগিতাত মুঠ ১০ খন দেশে অংশগ্ৰহণ কৰা এই প্ৰতিযোগিতা অহা ২০ অক্টোবৰলৈ চলিব। গ্ৰুপ-এত ভাৰতৰ লগতে অষ্ট্ৰেলিয়া, নিউজিলেণ্ড, পাকিস্তান, আৰু শ্ৰীলংকা অন্তৰ্ভুক্ত হোৱাৰ বিপৰীতে গ্ৰুপ-বিত বাংলাদেশ, ইংলেণ্ড, স্কটলেণ্ড, দক্ষিণ আফ্ৰিকা আৰু ৱেষ্ট ইণ্ডিজ আছে। হৰমন প্ৰীত কৌৰৰ নেতৃত্বত ভাৰতীয় দলটোৱে এইবাৰ খিতাপ দখলৰ হকে তীব্ৰ প্ৰতিদ্বন্দিতা আগবঢ়োৱাৰ আশা প্ৰকাশ কৰা হৈছে।

০০০০০০০

অহা ১১ অক্টোবৰৰ পৰা গুৱাহাটীৰ বৰ্ষাপাৰাৰ এ চি এ ষ্টেডিয়ামত ঝাৰখণ্ডৰ বিৰুদ্ধে হ'বলগীয়া ৰঞ্জী ট্ৰফীৰ প্ৰথমখন খেলৰ বাবে অসম ক্ৰিকেট সন্থাই ৰাজ্যিক দলৰ খেলুৱৈৰ লগতে সহায়কসকলৰ নাম ঘোষণা কৰিছে। ডেনিছ দাসৰ অধিনায়কত্বত গঠন কৰা এই দলটোত সুমিত ঘাডি গাউকাৰ আৰু ৰুহিনন্দন পেগুক উইকেট কীপাৰ হিচাপে ৰখা হৈছে। অসম ক্ৰিকেট সন্থাই প্ৰেছ বিজ্ঞপ্তিযোগে এই কথা প্ৰকাশ কৰিছে।

০০০০০০০

গুৱাহাটীত অহা ১৮ৰ পৰা ২০ অক্টোবৰলৈ আন্তঃজিলা মল্লযুঁজ প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। অসম মল্লযুঁজ সন্থাৰ আজি গুৱাহাটীৰ ৰাধাগোবিন্দ বৰুৱা ক্ৰীড়া প্ৰকল্পৰ কাৰ্যালয়ত অনুষ্ঠিত কাৰ্য নিৰ্বাহক সভাত এই বিষয়ে প্ৰকাশ কৰা হয়। এই সভাতে অসমৰ খেলুৱৈসকলৰ উন্নত প্ৰশিক্ষণ তথা উদীয়মান মল্লযুঁজাৰুসকলৰ ক্ৰীড়া প্ৰতিভা বিকাশৰ বাবে কেইবাটাও সিদ্ধান্ত লোৱা হয়। আজিৰ সভাত অসম অলিম্পিক সন্থাৰ নৱ-নিৰ্বাচিত সম্পাদক লক্ষ্য কোঁৱৰক অভিনন্দন আৰু সম্বৰ্ধনা জ্ঞাপন কৰা হয়।

০০০০০০০

**সমাপ্ত**